# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

নং ঃ ১০৫/২০২০

## নামনি অসমৰ বিভিন্ন জিলাৰ প্ৰাক্তন আছুৰ বিষয়ববীয়া তথা কৰ্মীৰ সৈতে মুখ্যমন্ত্ৰীৰ মত-বিনিময়

**দিছপুৰ, ৪ মাৰ্চ ঃ** আজি সদৌ অসম ছাত্ৰ সন্থাৰ নামনি অসমৰ জিলা সমূহৰ প্ৰাক্তন বিষয়ববীয়া তথা কৰ্মীসকলৰ সৈতে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে মত-বিনিময় কৰে। অত্যন্ত সৌহাৰ্দ্যপূৰ্ণ পৰিৱেশত অনুষ্ঠিত এই মত-বিনিময় অনুষ্ঠানৰ আৰম্ভণিতে সদৌ বৰপেটা জিলা ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি হেমন্ত দেউৰীয়ে সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি হিচাপে বৰ্তমানৰ মুখ্যমন্ত্ৰীয়ে এসময়ত নেতৃত্ব প্ৰদান কৰি আছুৰ এইগৰাকী প্ৰাক্তন সভাপতিয়ে বৰ্তমান অসমৰ মুখ্যমন্ত্ৰী হিচাপে ৰাজ্যখনৰ সৰ্বাংগীন বিকাশৰ দিশত যি পদক্ষেপ লৈছে সেই পদক্ষেপ সমূহে ৰাজ্যখনক সঠিক দিশৰে আগুৱাই নিয়াৰ দিশত বিশেষ মাত্ৰা প্ৰদান কৰিছে বুলি কয়। সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি হিচাপে বৰ্তমানৰ মুখ্যমন্ত্ৰীক লৈ প্ৰাক্তন আছু কৰ্মীসকল গৌৰৱান্বিত বুলিও তেওঁ উল্লেখ কৰে।

নামনি অসমৰ কেইবাখনো জিলাৰ প্ৰাক্তন আছু কৰ্মীসকলৰ সৈতে মত-বিনিময় কৰি সকলোৰে লক্ষ্য আৰু উদ্দেশ্য একেটাই বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে অসমক সৰ্ব দিশতে আগুৱাই নিয়াৰ লক্ষ্য পূৰণৰ দিশত সকলোৱে সন্মিলিতভাৱে কাম কৰিব লাগিব বুলি কয়। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে অসম আন্দোলনৰ লক্ষ্য আৰু উদ্দেশ্য পূৰণৰ দিশত বৰ্তমানৰ চৰকাৰখনে কোনো দিশতে এলাহ কৰা নাই বুলিও কয়। অসম আন্দোলনৰ শ্বহীদসকলৰ প্ৰতি যাতে ভৱিষ্যৎ প্ৰজন্মই সন্মান প্ৰদৰ্শন কৰি তেওঁলোকৰ ত্যাগৰ উচিত মূল্যায়ণ কৰে সেই উদ্দেশ্য আগত ৰাখিয়েই বৰ্তমানৰ চৰকাৰখনে গুৱাহাটী মহানগৰীত ১০০ বিঘা ভূমি সামৰি শ্বহীদ স্মাৰক নিৰ্মাণৰ পদক্ষেপ লোৱাৰ উপৰি অসম আন্দোলনৰ শ্বহীদসকলৰ পৰিয়াললৈ ৫ লাখ টকাৰ যৎকিঞ্চিত আৰ্থিক অনুদান তথা গুলীবিদ্ধ সকললৈ ২ লাখ টকাৰ এককালীন সাহায্য প্ৰদানৰ জৰিয়তে তেওঁলোকলৈ সন্মান প্ৰদৰ্শনৰ পদক্ষেপ লৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। অসম চুক্তিৰ ৬ নং দফা ৰূপায়ণৰ বাবে ইতিমধ্যে গঠন কৰি দিয়া সমিতিয়ে প্ৰতিবেদন দাখিল কৰিছে বুলি উল্লেখ কৰি আগন্তুক দিনত এই বিষয়ে কেন্দ্ৰীয় চৰকাৰে পদক্ষেপ ল'ব বুলিও কয়। অসম চুক্তিৰ অন্যতম ফচল নুমলীগড় শোধনাগাৰৰ বৰ্তমানৰ উৎপাদন ক্ষমতা ৩ মিলিয়নৰ মেট্ৰিকটনৰ পৰা ৯ মিলিয়ন মেট্ৰিকটনলৈ বৃদ্ধিৰ পদক্ষেপ, অসম চুক্তি অনুসৰি প্ৰতিষ্ঠা হোৱা গেছ ক্ৰেকাৰ প্ৰকল্প অবিৰত ৰূপত চলি থকাৰ বাবে ১৫ বছৰলৈ ফিডষ্টক চাবছিডি হিচাপে ৪৬০০ কোটি টকা কেন্দ্ৰীয় চৰকাৰৰ প্ৰদানৰ সিদ্ধান্ত ইত্যাদিৰ জৰিয়তে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰৰ অসম চুক্তি ৰূপায়ণৰ প্ৰতি থকা দায়বদ্ধতাৰ কথাকে সূচাইছে বুলিও তেওঁ কয়। তদুপৰি, বাৰাউনীৰ পৰা গুৱাহাটীলৈ গেছ পাইপ লাইন নিৰ্মাণৰ পদক্ষেপকে ধৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে কেৱল পেট্ৰ'লিয়াম খণ্ডতে সৰ্বমুঠ ৪২ হাজাৰ কোটি টকা অসমৰ বাবে প্ৰদানৰ পদক্ষেপ স্বাধীনতাৰ পিছত এনে বৃহত্তম পদক্ষেপ বুলিও তেওঁ কয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰখনে আন্তৰিকতাৰে অসমৰ সৰ্বাংগীন উত্তৰণৰ দিশত দায়বদ্ধতাৰে পদক্ষেপ লৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে প্ৰাক্তন আছু কৰ্মীসকলক বৰ্তমানৰ চৰকাৰে লোৱা পদক্ষেপ সমূহলৈ সহায়-সহযোগিতা আগবঢ়াই ৰাজ্যখনক ৰূপান্তৰৰ যাত্ৰাপথত দ্ৰুততাৰে আগুৱাই

নিয়াৰ বাবেও আহ্বান জনায়।

নামনি অসমৰ প্ৰাক্তন আছু কৰ্মী সকলৰ হৈ ৰবীন দাসে পূৰ্বৰ কোনো এখন চৰকাৰে প্ৰাক্তন আছু কৰ্মীসকলক গুৰুত্ব দিয়া নাছিল বুলি আক্ষেপ প্ৰকাশ কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই প্ৰত্যক্ষ মত-বিনিময় কৰাৰ সুযোগ প্ৰদান কৰাৰ বাবে তেখেতক ধন্যবাদ জ্ঞাপন কৰে।

অনুষ্ঠানত বিভিন্ন জিলাৰ প্ৰাক্তন আছু কৰ্মীসকলে মুখ্যমন্ত্ৰীক সম্বৰ্দ্ধনাও জ্ঞাপন কৰে।

আজিৰ এই মত-বিনিময় অনুষ্ঠানত উদ্যোগ আৰু বাণিজ্য, পৰিবহন, সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, অসম বিধান সভাৰ প্ৰাক্তন অধ্যক্ষ তথা হাউছফেডৰ অধ্যক্ষ ৰঞ্জিত কুমাৰ দাস, মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, বিধায়কসকল ক্ৰমে ঋতুপৰ্ণ বৰুৱা, গুৰুজ্যোতি দাস আৰু আঙুৰলতা ডেকা উপস্থিত থাকে।

**বঃভাঃ / পুঃডেঃ**
**০৪-০৩-২০২০**